# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## বুধবাৰ, ২৫ মাৰ্চ, ২০২০

### জলসম্পদ, বিজ্ঞান আৰু প্ৰযুক্তি, তথ্য প্ৰযুক্তি, সাংস্কৃতিক পৰিক্ৰমা, গুৱাহাটী উন্নয়ন, আইন আৰু ন্যায়িক, শ্ৰম কল্যাণ (স্বতন্ত্ৰ দায়িত্ব), চাহ জনজাতি কল্যাণ (স্বতন্ত্ৰ দায়িত্ব)।

### প্ৰশ্ন সমূহৰ মুঠ সংখ্যা -১৯

*বিষয় ঃ* **সমষ্টি পুনৰ নিৰ্ধাৰণ।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

*১৫৭। মাননীয় আইন আৰু ন্যায়িক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শেহতীয়া ভাৱে কেন্দ্ৰীয় চৰকাৰে সমষ্টি পুনৰ নিৰ্ধাৰণ সন্দৰ্ভত প্ৰকাশ কৰা অধিসূচনা সম্পৰ্কে ৰাজ্য চৰকাৰৰ স্থিতি কি?

(খ) আগন্তুক বিধান সভা নিৰ্বাচন আগৰ মতে নে সমষ্টি পুনৰ নিৰ্ধাৰণ কৰা মতে হ'ব ?

(গ) বৰ্তমানৰ ১২৬ টা বিধান সভা সমষ্টিত কিমানকৈ জনসংখ্যা আছে? (সমষ্টি ভিত্তিত তালিকা দিব)

Not Related to the Department

*বিষয় ঃ* **গুৱাহাটী হাইকোৰ্টৰ মোকৰ্দমা।**

শ্ৰীপবিন্দ্ৰ ডেকা ঃ

*১৫৮। মাননীয় আইন আৰু ন্যায়িক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)গুৱাহাটী হাইকোৰ্টত বৰ্তমানলৈ কিমান মোকৰ্দমা বিচাৰাধীন হৈ আছে ?

(খ) ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষ দুটাত এনেভাৱে বিচাৰাধীন হৈ থকা কিমান সংখ্যক মোকৰ্দমাৰ ৰায়দান কৰা হ'ল ?

(গ) এনেভাৱে ৰায়দান কৰা মোকৰ্দমা সমূহৰ চিভিল (Civil ) মোকৰ্দমা আৰু ক্ৰিমিনেল (Criminal) মোকৰ্দমাৰ সংখ্যা কিমান ?

(ঘ) গুৱাহাটী হাইকোৰ্টত বৰ্ত্তমান কিমানজন মহামান্য বিচাৰপতি (Judge) আছে ?

(ঙ) হাইকোৰ্টখনৰ মোকৰ্দমাৰ সংখ্যা অনুসৰি বিচাৰপতিৰ সমানুপাত ঠিকেই আছেনে ?

*Sub :* **Fund received by Water Resources Department.**

Shri RUPJYOTI KURMI :

*159. Will the Minister of Water Resources be pleased to state :

(a) How much fund the Water Resources Department have received from Central Govt. & State Govt. under different heads for the year 2016-17 to 2019-20 ?

(b) Furnish detailed data.

*বিষয় ঃ* **উপ-সংমণ্ডল স্থাপন।**

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ

*১৬০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি

জলসম্পদ বিভাগে ৰাজ্যখনত নতুন উপ-সংমণ্ডল স্থাপনৰ প্ৰস্তাৱ হাতত লৈছে নেকি ?

(খ) মঙলদৈ জলসম্পদ সংমণ্ডলৰ অন্তৰ্গত বেছিভাগ নদ-নদী ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত হোৱাৰ লগতে বহুসময়ত বিশেষকৈ, বানপানীৰ সময়ত কাম-কাজ সূচাৰুৰূপে চলোৱাৰ ক্ষেত্ৰত অসুবিধা হোৱা দেখা যায়। এই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি বিভাগে ছিপাঝাৰ বিধানসভা সমষ্টিত এটি উপ-সংমণ্ডল স্থাপনৰ বাবে কিবা পদক্ষেপ লৈছে নেকি ?

(গ) যদি লৈছে, ইয়াৰ প্ৰাথমিক কাম-কাজ কি পৰ্য্যায়ত আছে ?

(ঘ) যদি লোৱা নাই, কেতিয়ালৈ ছিপাঝাৰত এটি উপ-সংমণ্ডল স্থাপন কৰা হ'ব, জনাবনে ?

*বিষয় ঃ* **ROOF TOP SOLAR SYSTEMS.**

শ্ৰীদিলীপ কুমাৰ পাল ঃ

*১৬১। মাননীয় বিজ্ঞান ও প্ৰযুক্তি বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

(ক) আসামের ক্ষুদ্ৰ শিল্পদ্যোগীদের উন্নয়নের জন্য বিনামূল্যে ROOF TOP SOLAR SYSTEMSএর কোনও সরকারী সাহায্যের ব্যবস্থা আছে কি ?

(খ) যদি থেকে থাকে তবে আসামের কোথায় কোথায় এই ব্যবস্থা চালু আছে ?

(গ) শিলচর মালিনী বিলের IIDC অর্থাৎ Intigrated Infrastructure Development Centre এ APDCL এর বিদ্যুৎ সরবরাহ পরিস্থিতি খুব খারাব, ফলে ছোট ছোট স্থানীয় শিল্পদ্যোগীরা ভীষণ ভাবে ক্ষতিগ্ৰস্ত। উক্ত IIDCকে বাচিয়ে রাখার জন্য ROOF TOP SOLAR SYSTEM ব্যবস্থা বিজ্ঞান ও প্ৰযুক্তি মন্ত্ৰক থেকে করা সম্ভব কিনা তাহা সদনে জানানোর জন্য অনুরোধ জানাই ?

*Sub :* **Labour office at Bokajan.**

Dr. NUMAL MOMIN :

*162. Will the Minister of Labour Welfare be pleased to state :

(a) Whether there is a permanent Labour office at Bokajan ?

(b) What initiative has been taken by department to build a permanent office at Bokajan ?

*বিষয় ঃ* **ন্যায়াধীশৰ সংখ্যা।**

শ্ৰীআমিনুল ইছলাম ঃ

*১৬৩। মাননীয় আইন আৰু ন্যায়িক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন আদালতত কিমান গোচৰ Pending হৈ আছে ?

(খ) কোন কোন আদালতত কিমান সংখ্যক ন্যায়াধীশৰ পদ খালী হৈ আছে ?

(গ) খালী পদ সমূহ কেতিয়া পূৰণ কৰা হ'ব ?

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধ।**

শ্ৰীঅনন্ত কুমাৰ মালো ঃ

*১৬৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জিলাৰ ৩৫নং অভয়াপুৰী দক্ষিণ (অনুঃ) বিধান সভা সমষ্টিটো যে বানপীড়িত আৰু গৰাখহনীয়াগ্ৰস্ত সমষ্টি হয় সেই বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত, তেনেহ'লে, ডুৱাচুৰী গাঁওৰ পৰা মধুকল গাঁওলৈকে যোগীঘোপা নৰনাৰায়ণ সেতুৰ অলপ ডাউনৰ পৰা নামা কৰেয়া গাঁওলৈকে, ঔডুবি সূতিৰমুখ গাছপাৰা গাঁওলৈকে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কোনো স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

(গ) যদি কৰা নাই, কেতিয়া কৰিব জনাব।

*বিষয় ঃ* **অৱসৰপ্ৰাপ্ত চাহ বাগিচাৰ কৰ্মচাৰীৰ Provident Fund সন্দৰ্ভত ।**

শ্ৰীচক্ৰধৰ গগৈ ঃ

*১৬৫। মাননীয় শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমৰ বাগিচা সমূহৰ পৰা অৱসৰ লোৱা সকলো শ্ৰমিকে অৱসৰৰ পাছত পাব লগা Provident Fundৰ ধন পাবলৈ সক্ষম হৈছেনে ?

(খ) যদি হোৱা নাই, তেন্তে ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ অন্তৰ্গত দিখাৰী, সুৰভি, মেঘা, খোৱাং, বামুণবাৰী, তিলৈজান, চেপন, মৰাণ, থাওৰা আদি চাহ বাগিচাত কিমানজন শ্ৰমিকে এতিয়াও P.F.ৰ ধন পোৱা নাই, তালিকা সহ জনাব ।

(গ) তেওঁলোকে শীঘ্ৰে এই ধন পাবলৈ সক্ষম হ'বনে ?

*বিষয় ঃ* **গুৱাহাটীৰ স্মাৰ্ট চিটিৰ আঁচনি সম্পৰ্কত ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

*১৬৬। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী স্মাৰ্ট চিটিৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কিমান পুঁজি মোকলাই দিলে, জনাব নে ? বৰ্ত্তমান স্মাৰ্ট চিটিৰ বাবে চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিলে ? কি কি আঁচনিৰ কাম আৰম্ভ কৰা হ'ল আৰু ইয়াৰ বাবে কিমান পুঁজি খৰচ হ'ল জনাব নে ?

(খ) উক্ত আঁচনি সমূহৰ কাম কেতিয়া শেষ হ'ব, জনাব ।

(গ) মেট্ৰ'ৰেল অথবা মন'ৰেল সেৱা প্ৰৱৰ্ত্তনৰ কথা চৰকাৰে চিন্তা কৰিছেনে ? যদি কৰিছে, তেনেহ'লে বৰ্ত্তমান কি অৱস্থাত আছে জনাব ।

(ঘ) আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামৰ পৰা ISBT লৈকে মৰা ভৰলুৰ দুয়োপাৰে গাৰ্ড ৱাল দি সৌন্দৰ্য্যবৰ্ধনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে নে ? যদি কৰা নাই, তেনেহ'লে ২০২০-২০২১ চনত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নে ?

(ঙ) জালুকবাৰীৰ ওচৰৰ লক্ষেশ্বৰৰ পৰা শিৱমন্দিৰলৈ ধৰ্মপ্ৰাণ ৰাইজ তথা পৰ্য্যটকৰ আকৰ্ষণৰ বাবে ৰোপৱেৰ ব্যৱস্থা গ্ৰহণ কৰিব নে ?

*Sub :* **Erosion of Aie-Manas etc.**

Shri SHERMAN ALI AHMED :

*167. Will the Minister of Water Resources be pleased to state :

(a) Is the Govt. aware that serious erosion is going on by Aie-Manas in Barpeta and Bongaigaon District ?

(b) Is it true that Barpeta District is preparing a memo under FMP for protection of the areas in Barpeta District ?

(c) Is the Govt. aware that the areas of Barpeta and Bongaigaon District are in continuous reach ?

(d) If yes, would the Govt. be pleased to direct Dhubri Water Resources Division to prepare a similar memo under FMP comprising of the balance areas of that reach in Bongaigaon District ? Please furnish details.

(e) What is the present status of the project under World Bank for protection of Beki river ? Please furnish details.

(f) What is the present status of Bahari-Baghbar project under ADB for protection against Brahmaputra river ? Please furnish details.

*বিষয় ঃ* **রাজ্যে বিজ্ঞান ও প্রযুক্তিতে উন্নয়নমূলক প্রকল্প ।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

*১৬৮। মাননীয় বিজ্ঞান ও প্রযুক্তি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) রাজ্যে বিজ্ঞান ও প্রযুক্তিতে

উন্নয়নমূলক কি কি প্রকল্প চালু আছে? রাজ্য বাজেটের কত শতাংশ বিজ্ঞান ও প্রযুক্তিতে ব্যয় হয়? বিস্তারিত জানাবেন।

(খ) রাজ্যে বিজ্ঞান ও প্রযুক্তিতে উন্নয়নে বিদ্যালয় ও কলেজগুলোতে ফ্রি wi-fi এর বন্দোবস্ত করা হয়েছে কি, বা হবে কি?

(গ) যদি করা হয়ে থাকে তবে করিমগঞ্জের কোন কোন উচ্চ বিদ্যালয় ও কলেজগুলোতে এই সুবিধা এখন আছে তা জানাবেন।

(ঘ) ASTECএর মাধ্যমে কোন কোন বিজ্ঞান ও প্রযুক্তির প্রকল্প বাস্তবায়িত হয়? কত অর্থ এই ASTECএর মাধ্যমে এই বছর খরচ করা হয়েছে? ASTECএর পরিচালনায় বরাক উপত্যকার কে কে রয়েছেন?

*বিষয় :* **গৰাখহনীয়াৰ ব্যৱস্থা।**

ডাঃ নজৰুল ইছলাম :

*১৬৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) লাহৰীঘাট সমষ্টিৰ প্ৰৱল গৰাখহনীয়াৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, তেতিয়াহ'লে গৰাখহনীয়াৰ স্থায়ী সমাধানৰ কিবা ব্যৱস্থা লৈছে নেকি? যদি লৈছে, তেতিয়া হ'লে কি কি ব্যৱস্থা লৈছে? যদি লোৱা নাই, কিয় লোৱা নাই? বিতংভাৱে সদনত জনাব।

*বিষয় :* **চাহ শ্ৰমিক কল্যাণ কেন্দ্ৰ কৰ্মচাৰীৰ দৰমহাকে ধৰি বিভিন্ন সমস্যা সম্পৰ্কত।**

শ্ৰীদুৰ্গা ভূমিজ :

*১৭০। মাননীয় শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ২০১৮ চনৰ আগষ্ট মাহৰ পৰা বৰ্তমানলৈকে সদৌ অসম চাহ শ্ৰমিক কল্যাণ কেন্দ্ৰৰ কৰ্মচাৰী সকলৰ দৰমহা আদায় দিয়া নাই নেকি? যদি দিয়া নাই, কিয় দিয়া নাই? যদি দিব, কেতিয়া দিব জনাব।

(খ) সপ্তম দৰমহা আয়োগৰ নিৰিখমতে উক্ত কেন্দ্ৰৰ কৰ্মচাৰী সকলেও দৰমহা পাব লাগে, কিন্তু সপ্তম আয়োগৰ নিৰিখ মতে দৰমহা কিয় নাপায় জনাব।

(গ) চাহ শ্ৰমিক কল্যাণ কেন্দ্ৰ সমূহৰ কাৰিকৰী বিভাগৰ আৱশ্যকীয় কেঁচা সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা নাই নেকি? কিয় Welfare Centre's বিলাকত কেঁচা সামগ্ৰী যোগান ধৰা নহয়, জনাব।

(ঘ) অসম চৰকাৰৰ চাহ আৰু প্ৰাক্তন চাহ জনজাতি কল্যাণ সঞ্চালকালয়ৰ MERGER কৰি দিয়াৰ ব্যৱস্থা কৰিব নে? যদি কৰে, তেন্তে কিমান দিনৰ ভিতৰত কৰিব জনাব।

*বিষয় :* **পৰিষদীয় এলেকা সম্প্ৰসাৰণ।**

শ্ৰী দীপক কুমাৰ ৰাভা :

*১৭১। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ৰাভা হাছং স্বায়ত্ত্ব পৰিষদ তথা আন স্বায়ত্ত্ব শাসিত পৰিষদীয় এলেকাৰ পৰিসৰত থকা জাতি, জনগোষ্ঠী তথা নৃ-গোষ্ঠীয় লোকসকলৰ বৃহত্তৰ স্বাৰ্থত বিভিন্ন জাতি-জনগোষ্ঠীয় দল সংগঠনে পৰিষদীয় এলেকা ASCRDA আওতাৰ বাহিৰত ৰখাৰ দাবীত প্ৰতিবাদ জনাই আহিছে। এই ক্ষেত্ৰত চৰকাৰে ASCRDA বিলখনৰ সংশোধনীৰ প্ৰস্তাৱ অনাৰ বাবে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে তথ্য সহকাৰে জনাবনে?

*বিষয় :* **বানপানী অধ্যুষিত অঞ্চল।**

শ্ৰীকুশল দুৱৰী :

*১৭২। মাননীয় জলৰ্সম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বৰ্তমান বানপানী অধ্যুষিত অঞ্চল কিমান আছে আৰু ক'ত ক'ত আছে এই

ঠাই সমূহত বানপানী নিৰাময়ৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে লৈছে নেকি, জনাব ।

(খ) আমগুৰি সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ উন্মুক্ত বিশাল অঞ্চলত বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধৰ কিবা ব্যৱস্থা কৰিছে নেকি ?

(গ) শিৱসাগৰ সমষ্টিৰ উন্মুক্ত দৰিকা নৈত বান্ধ দিয়াৰ কিবা সু-ব্যৱস্থা চৰকাৰে কৰিছে নেকি ?

(ঘ) থাওৰা সমষ্টিৰো উন্মুক্ত ডিমৌ আৰু দিখৌ নৈত বান্ধ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি ?

*বিষয় ঃ* **বাকীৰোৱা অংশৰ নিৰ্মাণ ।**

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ

*১৭৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মঙলদৈ জলসম্পদ সংমণ্ডলৰ অন্তৰ্গত কুৰুৱা ৰিং বান্ধ যোৱাটো বানত ক্ষতিগ্ৰস্ত হোৱাৰ পিছত বিভাগে পুনৰ নিৰ্মাণৰ ব্যৱস্থা ল'লে যদিও ইয়াৰ কিছু অংশ পুনৰ নিৰ্মাণ আঁচনিত নপৰিল, যাৰ ফলত ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ লোকসকল মথাউৰি নোহোৱাকৈয়ে বিপদজনকভাৱে বসবাস কৰি আছে । এই বিষয়ে বিভাগ অৱগতনে ?

(খ) যদি অৱগত, বাকীৰোৱা অংশ নিৰ্মাণৰ বাবে বিভাগে অতিৰিক্ত আঁচনি গ্ৰহণ কৰিছে নেকি ?

(গ) কেতিয়ালৈ বাকী অংশৰ পুনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব ?

*বিষয় ঃ* **ভাড়া-ঘর সংক্রান্ত প্রকল্প ।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

Not Related to the Department

*১৭৪। মাননীয় গুয়াহাটী উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) রাজ্যে গৃহ নির্মাণ পরিষদের কোথায় কতটি প্রকল্প রয়েছে ? মোট কতটি আবাস ভাড়া দেওয়া হয়েছে ? কতটি ব্যক্তিগত মালিকের কাছে বিক্রী করা হয়েছে ? (প্রকল্প ভিত্তিক তালিকা দাখিল করবেন)

(খ) গুয়াহাটির প্রকল্পগুলিতে কোথায় কতটি ঘর খালী আছে ? 2016 সালের মে মাসের পর থেকে নুতন করে কতটি ঘর ভাড়া দেওয়া হয়েছে ? (বিস্তারিত তালিকা পেশ করবেন)

(গ) গুয়াহাটিতে থাকা ভাড়া ঘর প্রকল্পগুলির annual maintenance, পানী যোগান, মেরামতি ইত্যাদি নিয়মিত করা হয় কি ? এর জন্য কত টাকা বরাদ্দ করা হয় ?

(ঘ) গুয়াহাটি ছাড়া অসমের আর কোথায় কতটি প্রকল্প রয়েছে পর্ষদের ? শিলচর, ধুবড়ি ইত্যাদি স্থানের প্রকল্পগুলির কতটুকু অগ্রগতি হয়েছে জানাবেন । শিলচর, ধুবড়ির প্রকল্পগুলি ভাড়া ঘর হবে না ফ্ল্যাট হিসাবে বিক্রি করা হবে, পর্ষদের সিদ্ধান্তের প্রতিলিপি দাখিল করবেন সদনে ?

*বিষয় ঃ* **শ্লুইছ গেট নিৰ্মাণ ।**

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ

*১৭৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মঙলদৈ জলসম্পদ সংমণ্ডলৰ অন্তৰ্গত শাকতোলা নদীৰ মথাউৰিত ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে দুখন শ্লুইছ গেট নিৰ্মাণৰ অতিকৈ প্ৰয়োজন আৰু এই বিষয়ে বিধান সভাৰ প্ৰশ্নোত্তৰতো মন্ত্ৰী মহোদয়ে শ্লুইছ গেট দুখন অনুমোদন দিয়া হ'ব বুলি উল্লেখ কৰিছিল যদিও এতিয়ালৈ ইয়াৰ এখন শ্লুইছ গেটৰহে বিভাগে অনুমোদন দিলে । গতিকে আনখন শ্লুইছ গেট বিভাগে কেতিয়ালৈ অনুমোদন দিব জনাব নে ?

---